# অসম চাহ মজদুৰ সংঘ আৰু বাগিচা মালিকী সন্থাসমূহৰ মাজত স্বাক্ষৰিত দ্বি-পাক্ষিক চুক্তিসমূহ

**১) ৰেহাই মূল্যত ৰেচনৰ যোগান ঃ**

সাপ্তাহিক ৰেচনৰ হাৰ তলত দিয়া ধৰণৰ—

| | চাউল | আটা | মুঠ |
|---|---|---|---|
| প্রতিজন প্রাপ্তবয়স্ক শ্রমিকে | ১.৬৩ | ১.৬৩ | ৩.২৬ কেজি |
| প্রতিজন নির্ভৰশীল প্রাপ্তবয়স্ক লোকে | ১.২২ | ১.২২ | ২.৪৪ কেজি |
| প্রতিজন নির্ভৰশীল ল'ৰা-ছোৱালী | ০.৬১ | ০.৬১ | ১.২২ কেজি |

ওপৰত দিয়া হাৰত সাপ্তাহিক ৰেচন পাবলৈ হ'লে শ্রমিকজনে সপ্তাহত ৫ দিন বা ৬ দিন কাম কৰিব লাগিব। তাতকৈ কম দিন কাম কৰিলে ৰেচনৰ হাৰ তলত দিয়া দৰে কমি যায়।

সপ্তাহত ঃ

| | |
|---|---|
| ৫/৬ দিন কাম কৰিলে - | ৩.২৬ কেজি (পূৰা ৰেচন) |
| ৪ দিন কাম কৰিলে- | ২.৩৩ কেজি |
| ৩ দিন কাম কৰিলে- | ১.৪০ কেজি |
| ২ দিন কাম কৰিলে- | ০.৪৬ কেজি |
| ১ দিন কাম কৰিলে- | কোনো ৰেচন নাপাব। |

সেই অনুপাতে নির্ভৰশীল লোকৰো ৰেচন সমানুপাতিকভাৱে কমি যাব ঃ

| সপ্তাহত শ্রমিকজন | প্রাপ্তবয়স্ক | অপ্রাপ্তবয়স্ক |
|---|---|---|
| ৫/৬ দিন কাম কৰিলে | ২.৪৪ কেজি | ১.১২ কেজি |
| ৪ দিন কাম কৰিলে | ১.৭৪ কেজি | ০.৮৭ কেজি |
| ৩ দিন কাম কৰিলে | -- | -- |
| ২ দিন কাম কৰিলে | ০.৩৫ কেজি | ০.১৮ কেজি |
| ১ দিন কাম কৰিলে | কোনো ৰেচন নাপাব | |

ৰেচনৰ মূল্য তলত দিয়া দৰত শ্রমিকৰ হাজিৰাৰ পৰা কোম্পানীয়ে কাটি ৰাখিব ঃ

(ক) সংমণ্ডল - ক (যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া জিলা) আৰু

সংমণ্ডল - খ (শোণিতপুৰ, লখিমপুৰ আৰু ধেমাজি জিলা)ত প্ৰতি কিলোগ্ৰামত ৫৩ পইচা।

(খ) সংমণ্ডল - গ (কেৱল দৰং জিলা)ত প্ৰতি কিলোগ্ৰামত ৪৭ পইচা।

**২) উপকৰ্মচাৰী গ্ৰেড**

১৯৬৮ চনৰ ২১ জুনত হোৱা চুক্তি মতে দৰমহা বোৰ্ডৰ সিদ্ধান্ত মতে বিশেষ কিছুমান কামৰ বাবে উপকৰ্মচাৰী পদৰ ব্যৱস্থা কৰা হয়।

(ক) গ্ৰেড - ১ ঃ মুখ্য মুনচি, মুখ্য ফৰমেন।

(খ) গ্ৰেড - চ ঃ মুখ্য চাপৰাচী, মুখ্য বেইদাৰ, জ্যেষ্ঠ হস্পিতেল সহায়িকা, জ্যেষ্ঠ দৰব কঢ়িয়াওঁতা, চৰদাৰ (অসমৰ), নাৰ্ছ (প্ৰমাণ পত্ৰ নথকা), মিড্ ৱাইফ ট্ৰেইনড।

(গ) গ্ৰেড - ৩ ঃ লাইন আৰু ফেক্টৰী চকীদাৰ, গে'ট চকীদাৰ, বাগিচা চকীদাৰ (১৫ বছৰ সম্পূৰ্ণ কৰা), ডাকৱালা, যোগালী চকীদাৰ (যদি কমিচন পাই আছে), নাৰ্ছৰ সহায়িকা, ড্ৰেচাৰাৰ, ধাই, অইলমেন, চুইচবৰ্ড সহায়িকা, ফিটাৰ যোগালী আৰু কাৰপেণ্টাৰ (১০ বছৰ কামৰ অভিজ্ঞতা থকা)।

১২ ফেব্ৰুৱাৰী, ১৯৯৬ চনৰ চুক্তি অনুযায়ী —

(ক) গ্ৰেড - ২ ৰ ৪ জন চৰদাৰৰ (১৫ বছৰ সম্পূৰ্ণ কৰা) ভিতৰত ১ জনক গ্ৰেড্ ১ ত পদোন্নতি দিয়া হ'ব।

(খ) এই চুক্তি ২৫০ একৰতকৈ বেছি চাহ খেতি কৰা বাগিচাত প্ৰযোজ্য হ'ব।

**৩) বাগিচাত অতিৰিক্ত মজদুৰ নিযুক্তি ঃ**

১) ২৩ অক্টোবৰ, ১৯৬৯ তাৰিখৰ চুক্তি অনুযায়ী অসমৰ চাহ বাগিচাসমূহত ১৫,০০০ অতিৰিক্ত স্থায়ী মজদুৰ মকৰলৰ ব্যৱস্থা কৰা হয়।

২) ২০ নবেম্বৰ, ১৯৭৮ তাৰিখৰ চুক্তি অনুযায়ী অসমৰ চাহ বাগিচাসমূহত ২৫,০০০ অতিৰিক্ত স্থায়ী মজদুৰ মকলৰ ব্যৱস্থা কৰা হয়।

৩) ১০ অক্টোবৰ, ১৯৮৮ তাৰিখৰ চুক্তি অনুযায়ী অসমৰ চাহ বাগিচাসমূহত ২৩,০০০ অতিৰিক্ত স্থায়ী মজদুৰ মকলৰ ব্যৱস্থা কৰা হয়।

**৪) বেতন সহ বন্ধৰ দিন ঃ**

বাগিচা মালিকী সন্থা আৰু অসম চাহ মজদুৰ সংঘৰ মাজত বিভিন্ন সময়ত স্বাক্ষৰিত চুক্তি অনুযায়ী তলত উল্লেখ কৰা দিন কেইটাত বাগিচাৰ শ্ৰমিকসকলে গোটেই বছৰটোত ১০ দিন হাজিৰা সহ বেতন পাব।

১) পহিলা (১) জানুৱাৰী

২) মাঘ বিহু

৩) ৩০ জানুৱাৰী (ছহিদ দিৱস)

৪) ২৬ জানুৱাৰী (গণতন্ত্ৰ দিৱস)

৫) ফাকুৱা

৬) ব'হাগ বিহু

৭) মে' দিৱস

৮) ১৫ আগষ্ট (স্বাধীনতা দিৱস)

৯) দুৰ্গা পূজা

১০) কালী পূজা

**৫) ছাতি, চেণ্ডেল, পানীকাপোৰ, কম্বলৰ সন্দৰ্ভত চুক্তি ঃ**

(১) ইং ২০/৩/১৯৭০ চন তাৰিখে অসম চাহ মজদুৰ সংঘ আৰু বাগিচা মালিকী সন্থাৰ মাজত স্বাক্ষৰিত দ্বি-পাক্ষিক চুক্তি অনুযায়ী—

বাগিচা কৰ্তৃপক্ষই শ্ৰমিকসকলক বিনামূলীয়াকৈ বৰষুণৰ বতৰত ব্যৱহাৰৰ কাৰণে ১৯৭২ চনৰ পৰা মহিলা শ্ৰমিকসকলে আৰু ১৯৭৩ চনৰ পৰা পুৰুষ শ্ৰমিকসকলে একে মানদণ্ডৰ ছাতি পাব। এই ছাতি ২ বছৰৰ মূৰে মূৰে প্ৰদান কৰিব।

(২) ১৭ ডিচেম্বৰৰ ১৯৭৪ চনৰ চুক্তি অনুযায়ী বাগিচা কৰ্তৃপক্ষই শ্ৰমিকসকলক ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ বিনামূলীয়া কম্বল ২ বছৰৰ মূৰে মূৰে প্ৰদান কৰিব।

(৩) ১৮ ছেপ্টেম্বৰ, ১৯৭৫ চনৰ চুক্তি অনুযায়ী বাগিচা কৰ্তৃপক্ষই শ্ৰমিকসকলক বিনামূলীয়াকৈ পানীকাপোৰ (এপ্ৰন) প্ৰদান কৰিব। এই

পানীকাপোৰ বাগিচা কৰ্তৃপক্ষই প্ৰতি দুই বছৰৰ মূৰে মূৰে প্ৰদান কৰিব।
(৪) (ক)১০ জানুৱাৰী, ১৯৯৩ তাৰিখৰ চুক্তি অনুযায়ী বাগিচা কৰ্তৃপক্ষই বাগিচাৰ অস্থায়ী শ্ৰমিকক বিনামূলীয়াকৈ ছাতি আৰু পানীকাপোৰ ৩ বছৰৰ বাবে প্ৰদান কৰিব।

(খ) উক্ত সামগ্ৰীসমূহ পাবলৈ শ্ৰমিকজনে আগৰ বছৰত অতি কমেও ৩ মাহ বাগিচাত কাম কৰিব লাগিব।

(গ) প্ৰতি বছৰত বাগিচা কৰ্তৃপক্ষই শ্ৰমিকসকলক এযোৰ ছেণ্ডেল প্ৰদান কৰিব।

**৬) খৰি যোগান ঃ**

১০ নবেম্বৰ, ১৯৭১ তাৰিখে অসম চাহ মজদুৰ সংঘ আৰু বাগিচা মালিকী সংস্থা সমূহৰ মাজত বাগিচাৰ শ্ৰমিকক খৰি যোগান সম্পৰ্কত এখন দ্বি-পাক্ষিক চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি মতে—

১) বাগিচা কৰ্তৃপক্ষই বাগিচাৰ স্থায়ী মজদুৰ পৰিয়ালক বছৰেকত ২২৮ ঘনফুট (চি,এফ,টি,) খৰি প্ৰদান কৰিব।

২) যদি এম, পি, কলম (মধ্য কলম)ৰ খৰি বাগিচা কৰ্তৃপক্ষই শ্ৰমিকক দিয়ে তেতিয়া তলত দিয়া নিয়মসমূহ প্ৰযোজ্য হ'ব।

(ক)মাটিৰ পৰা ২৬ ইঞ্চি ওপৰৰ কলমক এম, পি, (**M.P.**) কলম বুলি নহ'ব আৰু তাক বাগিচা কৰ্তৃপক্ষই শ্ৰমিকক খৰি হিচাপে প্ৰদান কৰিব নোৱাৰিব।

(খ) বাগিচা কৰ্তৃপক্ষই এম, পি, কলমৰ খৰি পাবলগীয়া কোটাৰ ১/৪ অংশৰ বেছি দিব নোৱাৰিব।

(গ) যেতিয়া এম, পি, কলমক খৰি হিচাপে প্ৰদান কৰা হয় তেতিয়া মুঠ চি,এফ,টি, ৫০% বৃদ্ধি হয়। যেনে— এম, পি, কলমৰ খৰি বছৰেকত শ্ৰমিকক ৫৭ চিএফটি প্ৰদান কৰিব লাগে। গতিকে ইয়াত ৫০% বৃদ্ধি কৰি অৰ্থাৎ ২৮.৫ চি,এফ,টি, সৰ্বমুঠ = ৫৭ + ২৮.৫ = ৮৫.৫ চি,এফ,টি, খৰি প্ৰদান কৰিব লাগিব, কিন্তু তাক হিচাপত ৫৭ চি,এফ,টি, ধৰা হ'ব।

বাগিচা কৰ্তৃপক্ষই যোগান ধৰা খৰি শ্ৰমিকসকলে নিজৰ লাইনৰ

পৰা ১ মাইলৰ ভিতৰত হ'লে নিজে কঢ়িয়াই আনিব লাগিব।

৩) বাগিচা কৰ্তৃপক্ষই খৰিৰ নমুনা থাক ১ সপ্তাহলৈকে তেওঁলোকৰ দায়িত্বত থাকিব আৰু যদি বাগিচা কৰ্তৃপক্ষই ১ বছৰৰ খৰি একেবাৰতে প্ৰদান কৰে তেনেহ'লে দুয়োপক্ষৰ মাজত বুজা-বুজিৰ উল্লিখিত সময়সীমা (সাত দিন) বৃদ্ধি কৰিব পাৰিব।

**৭) অস্থায়ী শ্ৰমিকৰ বেমাৰী ছুটী ঃ**

১৬/১২/১৯৯৫ তাৰিখৰ চুক্তি মতে এজন অস্থায়ী শ্ৰমিকে তেওঁ কাম কৰা প্ৰতি ২১ দিনৰ মূৰত এদিনৰ বেমাৰী ছুটী পাব। অস্থায়ী শ্ৰমিকজনে প্ৰত্যেক বছৰত যিমান দিন কাম কৰে তাক ২১ ৰে ভাগ কৰিলে যিমান দিন পোৱা যাব সিমান দিনৰ কাৰণে বেমাৰী ছুটী পাব। ১১ দিনৰ কম হ'লে সেই অধিক দিনৰ কাৰণে বেমাৰী ছুটী নাপাব।

**৮) উপকৰ্মচাৰীৰ ঘৰত এল, পি, জি, যোগান ঃ**

১০জুন ১৯৯২ তাৰিখে উপকৰ্মচাৰী আৰু আন আন মাহেকীয়া বেতন ভোগী শ্ৰমিকসকলক খৰিৰ বাবদ, এল,পি, জি, চিলিণ্ডাৰ গেছৰ যোগান দিয়াৰ সন্মতিসূচক চুক্তি কৰা হয়।

**৯) উপকৰ্মচাৰীৰ ঘৰত টিউবৱেল ঃ**

১৮ জুন, ১৯৯৪ তাৰিখত অসম চাহ মজদুৰ সংঘ আৰু বাগিচা মালিকী সন্থাৰ মাজত হোৱা বুজাবুজি অনুসৰি উপকৰ্মচাৰীৰ ঘৰত টিউবৱেল দিয়াৰ চুক্তি হয়।

**১০) উপকৰ্মচাৰীৰ খৰি ঃ**

২৫/৮/২০১১ তাৰিখৰ চুক্তি অনুসৰি উপকৰ্মচাৰীসকলৰ খৰি ২২৮ চি.এফ.টি.ৰ পৰা ৩৪২ চি,এফ,টি, লৈ বৃদ্ধি কৰা হয়।

**১১) বিনামূলীয়া চাহপাতৰ যোগান ঃ**

(১) আগষ্ট, ২০১১ৰ চুক্তি অনুযায়ী —

(ক)বাগিচাৰ স্থায়ী শ্ৰমিকে প্ৰতি মাহত ৯০০ গ্ৰাম চাহপাত পাব।

(খ) বাগিচাৰ অবিবাহিত স্থায়ী শ্ৰমিকে প্ৰতি মাহত ৪৫০ গ্ৰাম চাহপাত পাব।

(২) ২৬ আগষ্ট, ২০১১ তাৰিখৰ চুক্তি অনুযায়ী—

(ক)উপকৰ্মচাৰী আৰু মাহেকীয়া বেতনভোগী শ্ৰমিকে তলত দিয়া হাৰত চাহপাত পাব—

বিবাহিত কৰ্মচাৰী = ১৪২৫ গ্ৰাম (১.৪২৫ কিঃ গ্ৰাঃ)

অবিবাহিত কৰ্মচাৰী = ৭১৫ গ্ৰাম

(খ) অস্থায়ী শ্ৰমিকে প্ৰতি মাহে ৩০০ গ্ৰামকৈ চাহপাত লাভ কৰিব।

(গ) বাগিচা কৰ্তৃপক্ষই তেওঁলোকৰ সুবিধা অনুযায়ী পষেকত বা মাহেকত চাহপাত প্ৰদান কৰিব।

**১২) উপকৰ্মচাৰীৰ ভ্ৰমণ বানচ চুক্তি ঃ**

২৬ জুলাই, ২০১৩ তাৰিখৰ চুক্তি অনুসৰি উপকৰ্মচাৰীসকলে তলত দিয়া ধৰণে ভ্ৰমণ বানচ লাভ কৰিব।

বিবাহিত উপকৰ্মচাৰী— ১৫০০/- প্ৰতি বছৰত

অবিবাহিত উপকৰ্মচাৰী— ৭৫০/- প্ৰতি বছৰত

**১৩) ঘৰ-ভাড়া ঃ**

(ক) ১৩/১২/২০১২ তাৰিখৰ চুক্তি অনুযায়ী বাগিচাত বসবাস নকৰা স্থায়ী শ্ৰমিকে প্ৰতি মাহে ২০০/- টকাকৈ ঘৰ-ভাড়া লাভ কৰিব।

(খ) বাগিচা কৰ্তৃপক্ষই ঘৰ দিয়া সত্বেও কোনো শ্ৰমিকে যদি ঘৰ নলয় তেন্তে তেওঁ ঘৰ-ভাড়া নাপাব।

**১৪) বাগিচা শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি ঃ**

ইং ২৬/০২/২০১৫ তাৰিখে অসম চাহ মজদুৰ সংঘ আৰু বাগিচা মালিকী সন্থাসমূহৰ মাজত দৈনিক হাজিৰাত কাম কৰা মজদুৰ সকলৰ হাজিৰা বৃদ্ধিৰ এক তিনি বছৰীয়া চুক্তি স্বাক্ষৰিত হয়।

প্ৰাপ্তবয়স্ক শ্ৰমিকসকলৰ বাবে ঃ

প্ৰথম ঃ ০১/১/২০১৫ ৰ পৰা ৩১/১২/২০১৫ লৈ = ১১৫.০০ টকা

দ্বিতীয় ঃ ০১/১/২০১৬ ৰ পৰা ৩১/১২/২০১৬ লৈ = ১২৬.০০ টকা

তৃতীয় ঃ ০১/১/২০১৭ ৰ পৰা ৩১/১২/২০১৭ লৈ = ১৩৭.০০ টকা

**১৫) উপকৰ্মচাৰী আৰু মাহেকীয়া দৰমহা পোৱা বেতনভোগী কৰ্মচাৰীসকলৰ দৰমহা সংশোধনৰ নতুন চুক্তি ঃ**

অসম চাহ মজদুৰ সংঘই ৭/০১/২০১৬ তাৰিখে ডিব্ৰুগড়ত চাহ বাগিচা মালিকী সন্থাৰ লগত (আই.টি.এ, বি.চি.পি, টি.এ.আই, এ.টি.পি.এ আৰু এন.ই.টি.এ) অসম উপত্যকাৰ চাহ বাগিচাৰ উপকৰ্মচাৰী আৰু মাহেকীয়া দৰমহা পোৱা অন্যান্য উপকৰ্মচাৰীসকলৰ দৰমহা বৃদ্ধিৰ এখন গুৰুত্বপূৰ্ণ দ্বি-পাক্ষিক চুক্তি সম্পাদন কৰে।

এই চুক্তিমতে পে-স্কেল ২০১৫ চনৰ ১ লা জুলাইৰ পৰা প্ৰযোজ্য হ'ব আৰু ২০১৮ চনৰ ৩০ ছেপ্টেম্বৰ তাৰিখপৰ্যন্ত বাহাল থাকিব।

২৫০ একৰৰ বাগিচা বা তাৰ ওপৰৰ

গ্ৰেড ১নং টকা — ৩৪১৫-৩০-৩৭১৫-৩৮-৪০৯৫

গ্ৰেড ২নং টকা — ৩২৭৭-২৯-৩৫৬৭-৩৪-৩৯০৭

গ্ৰেড ৩নং টকা — ৩১২৫-২৬-৩৩৮৫-৩১-৩৬৯৫

২৫০ একৰতকৈ কম বাগিচাৰ বাবে

গ্ৰেড ২নং টকা — ৩২৭৭-২৯-৩৫৬৭-৩৪-৩৯০৭

গ্ৰেড ৩নং টকা — ৩১২৫-২৬-৩৩৮৫-৩১-৩৬৯৫

১৬) ঠিকা পাতৰ চুক্তি ঃ

অসম চাহ মজদুৰ সংঘই ৮ জুলাই ২০১৬ তাৰিখে ডিব্ৰুগড়স্থিত ভাৰতীয় চাহ পৰিষদৰ সভাকক্ষত চাহ বাগিচা মালিকী সন্থা (চি.চি.পি.এ.)সমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতে কৰা দ্বি-পাক্ষিক চুক্তিমৰ্মে ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিচাৰ শ্ৰমিকসকলৰ ঠিকা পাত চুক্তিখন সংশোধন কৰা হয়। চুক্তি অনুযায়ী বাগিচা কৰ্তৃপক্ষই ঠিকাপাত ঘোষণা কৰাৰ সময়ত বাগিচাৰ শ্ৰমিকসকলে ২৪ কিলোগ্ৰামৰ ওপৰত পাত চিঙিলে নিম্নলিখিত নিৰিখ অনুযায়ী অতিৰিক্ত টকা লাভ কৰিব।

(১) (ক) ২৫ কিলোগ্ৰামৰ পৰা ৩০ কিলোগ্ৰামলৈকে — প্ৰতি কিলোগ্ৰামত ২.০০ টকাকৈ। (খ) ৩১ কিলোগ্ৰামৰ পৰা ৩৫ কিলোগ্ৰামলৈকে — প্ৰতি কিলোগ্ৰামত ২.৩০ টকা। (গ) ৩৫ কিলোগ্ৰামৰ ওপৰৰ প্ৰতি কিলোগ্ৰামত ৩.০০ টকাকৈ লাভ কৰিব।

(২) ঠিকাপাতৰ সময়ত কলঘৰৰ শ্ৰমিকসকলে প্ৰতি দিনে পূৰ্বৰ ৫.০০ টকাৰ পৰিৱৰ্তে ৭.৫০ টকাকৈ অতিৰিক্তভাৱে লাভ কৰিব।

*বিঃ দ্ৰঃ — দৰৱ মৰা কামত নিযুক্ত শ্ৰমিক আৰু পাত কঢ়িওৱা গাড়ীত নিযুক্ত যোগালীসকলকো কলঘৰৰ শ্ৰমিক হিচাপে ধৰা হয়। গতিকে তেওঁলোকেও অতিৰিক্তভাৱে দৈনিক ৭.৫০ টকাকৈ লাভ কৰিব।*